# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-11-2024
**Time :** 21-25 Hrs

## Assamese Night Bulletin
**::::::::::::::::::::::::::::::::**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত আজি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে।

০০০

অহা বছৰৰ মে' মাহৰ ভিতৰত ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকত বিদ্যালয়ত পুনৰ ৯ হাজাৰ নতুন শিক্ষক নিযুক্তি দিয়া হ'ব। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে, ইতিমধ্যে এই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তেওঁ লগতে ৰাজ্যত প্ৰথম বাৰৰ বাবে সুকীয়াকৈ গণিত বিষয়ৰ শিক্ষক নিযুক্তি নিয়াৰ কথাও ঘোষণা কৰে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী পেগুৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে অনুমোদন জনোৱা বুলি উল্লেখ কৰি সম্পূৰ্ণ মেধাৰ ভিত্তিত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি কয়।

০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী কালিৰে পৰা পালন কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপাৱলী আৰু কালী পূজা উপলক্ষে আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে  তিনিচুকীয়াৰ নিউ মাৰ্কেট কালী পূজাস্থলীত উপস্থিত হৈ দেৱীৰ আশীষ গ্ৰহণ কৰে। ইপিনে, দীপাৱলী উপলক্ষে গুৱাহাটী মহানগৰী আলোকময় হৈ উঠিছে। মাটিৰ চাকিৰ পোহৰৰ সমান্তৰালভাৱে ৰং-বিৰঙী আলোকসজ্জাৰে মহানগৰীৰ প্ৰতিটো প্ৰান্ত জিলিকি উঠিছে। আজিৰ দিনটোত আৰক্ষী প্ৰশাসনে নিৰ্দ্ধাৰণ কৰি দিয়া স্থানসমূহত আতচবাজি ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে। আনহাতে, চিৰাঙৰ পানবাৰীত ৯-দিনীয়া কাৰ্যসূচীৰে কালী পূজা পালন কৰা হৈছে। আজি জিলাখনৰ ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থী প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে পানবাৰীৰ কালী মন্দিৰত দেৱীৰ আশীষ গ্ৰহণ কৰে।

ooo

প্ৰতিথযথা শিল্পী, অভিনেতা, পৰিচালক আৰু নাট্যকাৰ কুলদা কুমাৰ ভট্টাচাৰ্যৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। শাৰিৰীক অসুস্থতাৰ বাবে  তেওঁ যোৱা কেইবাদিন ধৰি চিকিৎসাধীন হৈ আছিল। অসমৰ চলচ্চিত্ৰ তথা নাট্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়াই যোৱা ভট্টাচাৰ্যই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰযোগে  প্ৰচাৰিত নাট পৰশুৰামৰ অভিনয়ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিছিল।

কাইলৈ তেওঁৰ নশ্বৰ দেহ সমলয় সূৰ্য্য ক্লাৱত শেষ শ্ৰদ্ধাঞ্জলি যাচিবৰ বাবে ৰখা হ'ব। গুণুগ্ধসকলে দিনৰ চাৰে দহ বজাৰ পৰা এক বজালৈ তেখেতলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰিব। শেষ শ্ৰদ্ধাঞ্জলিৰ পাছতেই ইলোৰা বিজ্ঞান মঞ্চই তেখেতৰ দেহ সংগ্ৰহ কৰিব। উল্লেখযোগ্য যে, প্ৰয়াত শিল্পীগৰাকীয়ে ইলোৰা বিজ্ঞান মঞ্চলৈ তেওঁৰ দেহ দান কৰি গৈছে।

শিল্পীগৰাকীৰ বিয়োগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী অশোক সিংহালৰ লগতে বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে।

ooo

ৰে'লৰ টিকটৰ আগতীয়া সংৰক্ষণৰ ক্ষেত্ৰত ৰে'ল বিভাগে নতুনকৈ প্ৰৱৰ্তন কৰা নিয়ম আজিৰে পৰা কাৰ্যকৰী হৈছে। এই নতুন ব্যৱস্থা অনুসৰি আগতীয়া আসন সংৰক্ষণৰ সময়সীমা পূৰ্বৰ ১২০ দিনৰ পৰিৱৰ্তে ৬০ দিনলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে যাত্ৰীসকলে ৩১ অক্টোবৰ অৰ্থাৎ কালিলৈকে কৰা সংৰক্ষণৰ ক্ষেত্ৰত কোনোধৰণৰ পৰিৱৰ্তন নহয়।

ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আসন সংৰক্ষণৰ সময়সীমা ৬০ দিনলৈ হ্ৰাস কৰাৰ ফলস্বৰূপে টিকটৰ চোৰাং মজুতকৰণৰ সম্ভাৱনা হ্ৰাস পোৱাৰ লগতে প্ৰকৃত যাত্ৰীসকলে সুবিধা লাভ কৰাটো নিশ্চিত হ'ব। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰা তথ্য অনুসৰি যাত্ৰাৰ তাৰিখৰ ৬১ দিনৰ পৰা ১২০ দিন পূৰ্বে যাত্ৰীসকলে সংৰক্ষণ কৰা টিকটৰ প্ৰায় ২১ শতাংশ টিকট সাধাৰণতে বাতিল কৰা হয়।

ooo

ডিফুৰ সমীপৰ তাৰালাংছুত কাৰ্বি আংলং জিলাৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উত্তৰ পূৰ্বাঞ্চল ষষ্ঠ অনুসূচী স্বায়ত্ত শাসিত পৰিষদৰ সাংস্কৃতিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অহা ১৬ ৰ পৰা ১৮ নৱেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে আদৰণি সমিতিৰ ২৪ টা

কোষ গঠন কৰি বিভিন্ন দায়িত্ব অৰ্পন কৰা হৈছে। উল্লেখযোগ্য যে, ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ১৯৯১ চনৰ ১৭ নৱেম্বৰত কাৰ্বি আংলং জিলা গঠন কৰা হৈছিল।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**